# ভাগ্য ভাল

## ডা° বিকাশ বৰুৱা

পৰীক্ষাবোৰতো নহ'লেই। না মেট্ৰিক হ'ল না হায়াৰ ছেকেণ্ডেৰি। পৰীক্ষা নিদিয়াকৈয়ে কোনোবাই পাছ কৰিলে, কোনোবাই ফে'ল। কিছুমানে এশৰ ভিতৰত নিৰানব্বৈ পৰ্যন্ত নম্বৰ পালে। আই সৰস্বতীৰ অপাৰ লীলা...

পিছে ভাগ্য ভাল এইবাৰ পৰীক্ষাবোৰ নহ'ল। কৰ'নাকালত ঘৰতে পেট পেলাই পৰি পৰি ছাৰ-বাইদেউসকলে যিহে টান টান প্ৰশ্নবোৰ কাটিছিল, পৰীক্ষা দিবলৈ বহি অতিপাত চোকাকেইজনৰো টেমা গৰম হৈ গ'লহেঁতেন। নিৰানব্বৈ শতাংশ উৰ্ত্তীৰ্ণ হোৱা দূৰৰে কথা, বেছিভাগেই 'গোল্লা' মাৰি ইমানপৰে ফেনে-চেনেহে ওলমিলহেঁতেন।

যি কি নহওক মই ভাবিছোঁ প্ৰশ্নৰ নমুনা এটা অকণমানকৈ দি থওঁ। সুদূৰ ভৱিষ্যতত কেতিয়াবা হয়তো দিন-কাল ভাললৈকো আহি যাব পাৰে। যদি নিৰ্বাচন আয়োগে পাঁচ বছৰৰ মূৰে মূৰে 'খেলা'টো নেখেলাই বছৰটোতে দুবাৰকৈ খেলাই দিয়ে, ৰজাৰ নাচোন আৰু ৰাইজৰ 'উছাহ' দেখি কৰ'না বোলা পাষণ্ডটোৱে নিশ্চয় নেগুৰ দাঙি দৌৰিব। লাচিতৰ খেদাত মোগল পলোৱাদি পলাব। তেতিয়া ৰজাঘৰে আকৌ পৰীক্ষা পাতিব। সেইবোৰ পৰীক্ষাত ইয়াৰে দুই-এটা প্ৰশ্ন কেনেবাকৈ আহিও যাব পাৰে। গতিকে উত্তৰবোৰ সাজু কৰি ৰখা ভাল।

নমুনা নম্বৰ এক ঃ ধৰি লোৱা সৌ সিদিনালৈকে ৰাজকোষটো টকাৰে খুন্দ খাই আছিল। তাৰ আধাখিনিৰে ৰজাই অত্যাধুনিক বিদেশী বিমান কিনিলে, নিৰ্বাচনত হেলিকপ্টাৰ উৰুৱালে, বিদেশলৈ গ'ল, মেল-মিটিং পাতিলে, বিধে বিধে আঁচনি তৈয়াৰ কৰি হিতাধিকাৰীক বিলালে..। হঠাৎ দেখা গ'ল বাকী আধাৰ চিন-চাবেই নাই। ভঁৰাল শূন্য। কিতাপ কিনিবলৈ টকা নাই, ৰাস্তা মেৰামতি কৰিবলৈ টকা নাই, গাঁত পুতিবলৈ টকা নাই। এই টকাখিনি ক'লৈ যাব পাৰে? ভাবি-চিন্তি লিখা। কেলকুলেটৰ লাগিলে ছাৰ-বাইদেউক ক'বা। দি দিব।

দুই ঃ গোঁসাইগাঁৱক কিয় গোছাইগাঁও কোৱা হয়? সৰুমাই শইকীয়াই কিয় নিজকে চৰুমাই চইকিয়া বুলি চিনাকি দিয়ে? লিখোঁতে মনীষা লিখে, কওঁতে মানিছা কয়.. কাৰণটো কি? আগৰ দিনৰ আত্মসাৎ এতিয়া কিয় আত্মশ্বাট হৈ গ'ল?

তিনি ঃ বাক্যকেইটা শুদ্ধকৈ লিখা ঃ (ক) অস্ত্ৰৰে সজ্জিত হৈ আহি অৰুণাচলী উগ্ৰপন্থীয়ে অসমৰ মাটিত ভূঁই ৰুলে। (খ) গোসাঁনীক সন্তুষ্ট কৰিবলৈ পিতৃয়ে কন্যাক বলি দিলে। (গ) সীমান্তত মিজোৰ গুলীত অসম আৰক্ষীৰ মৃত্যু।

মগজটোৱে যাতে খুব বেছি কষ্ট নাপায় তাৰ বাবে বাক্যকেইটাৰ আধুনিক ৰূপটো লগতে ছপাই দিয়া হৈছে। যদি সেয়াই শুদ্ধ যেন লাগে, কাষত একোটাকৈ ৰাইট চিন দি গ'লেই হ'ল। (ক) ৰুলে অৰুণাচলী উগ্ৰপন্থীয়ে হৈ আহি অস্ত্ৰৰে সজ্জিত অসমৰ মাটিত ভূঁই। (খ) কৰিবলৈ সন্তুষ্ট গোসাঁনীক দিলে পিতৃয়ে কন্যাক বলি। (গ) মৃত্যু গুলীত অসম আৰক্ষীৰ সীমান্তত মিজোৰ।

চাৰি ঃ এজন বৰ বিয়াগোম সাহিত্যিকে এস্কিম'সকল উত্তৰ মেৰুৰ বাসিন্দা বুলি লিখিছে। তুমি কি ভাবা? এস্কিম' আৰু উত্তৰ মেৰুৰ নাম আগেয়ে শুনিছিলানে? ফুৰিবলৈ যোৱা মানুহ, ভূগোল বিশেষজ্ঞ আৰু বিজ্ঞানীসকলৰ মতে তাত হেনো মাটি নামৰ বস্তুটোৱেই নাই। ওপৰত বৰফ তলত পানী। খুঁটা-চুটা পুতি ঘৰ সজাৰ প্ৰশ্নই নুঠে। গছ নগজে। খেতি নহয়। তাৰ পাছতো তেখেতসকল তাত কেনেকৈ থাকে? তুমি যদি এইবাৰো ফে'ল কৰা আৰু খঙতে দেউতাই তোমাক গাৰ্লফ্ৰেণ্ডজনীৰে সৈতে তালৈ পঠিয়াই দিয়ে তাত গৈ তুমি ঘৰ-সংসাৰ কৰাৰ কি উপায় উলিয়াবা?

পাঁচ ঃ দুখীয়া মানুহে ৰজাঘৰৰ পৰা বিনামূলীয়া চাউল পায়। ডাঙৰ ডাঙৰ বেপাৰীয়ে ৰে'লৰ দবা আৰু ট্ৰাকৰ পৰা বাহিৰে বাহিৰে তেনেকুৱা চাউল নি নিজৰ গুদামত জমা কৰে। নতুনকৈ লেবেল লগায়। নতুন নাম ৰাখে আৰু এটা উচিত মূল্য নিৰ্ধাৰণ কৰি বাংলাদেশলৈ ৰপ্তানি কৰে। গোটেই প্ৰক্ৰিয়াটোত ৰজাঘৰে যথেষ্ট পৰিমাণৰ উৎসাহ যোগায় আৰু যাতে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়টো সুন্দৰকৈ চলি থাকে তাৰ প্ৰতি দৃষ্টি ৰাখে। এতিয়া প্ৰশ্ন হ'ল—আমাৰ জনমূৰি আয় কিমান? অন্য ৰাজ্যৰ তুলনাত কম নে বেছি? যদি কম, এই ৰমৰমীয়া ব্যৱসায়টো প্ৰতিজন হিতাধিকাৰীয়েই কৰাটো উচিত নহ'বনে বাৰু? দুই নম্বৰ কথা, চাউলবোৰ বাংলাদেশলৈকে পঠাই থকাৰ সলনি অন্য আৰু কোনবিলাক দেশলৈ পঠিয়াব পৰা যায়? কোনে কোনে ভাত খায়? বৰ এগাল এগালকৈ খায়নে কমকৈ খায়? দিনটোত কেইসাঁজ খায়? সেই মানুহবোৰ পেটুৱা হয়নে নহয়? প্ৰকাণ্ড ম'বাইল ফোনটো লগত আছেই নহয়? দৰকাৰ যেন দেখিলে ইণ্টাৰনেট ব্যৱহাৰ কৰিবা।

ছয় ঃ অসমীয়া ভাষাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা এই অত্যাধুনিক শব্দবোৰেৰে একোটাকৈ বাক্য ৰচনা কৰা ঃ কব গলে। চাব গলে। দিব আছে। পাব আছে। হওঁক। চাওঁক। অহাকালি। যোৱাকালি। বাইছত্তি। আছি। নায়। য'দি। ছ'। ত'।

সাত ঃ মৰা সকাম, বিয়াঘৰ, শ্মশান আদিত দহটা মানুহ গোট খালেই কৰ'নাই খাওঁ খাওঁ মূৰ্তি ধৰে। কিন্তু ৰাজনীতিৰ পথাৰত লাখ লাখ মানুহ দেখিলে প্ৰাণ লৈ পলায়। কিয়? পটাছিয়াম ছায়েনাইড, ৰাজনীতি কৰা মানুহ, ফেঁটি সাপ.. ইয়াৰে কোনটো সবাতোকৈ বিষাক্ত?

আঠ ঃ এপিএছছি কেলেংকাৰীৰ বিষয়ে কি জানা লিখা। ধৰি লোৱা কোনো এটা পৰীক্ষাত তুমি এশৰ ভিতৰত খুব বেছি ছয় বা সাত নম্বৰ পালা। সেইটো কাটি তাক আঠানব্বৈ কৰি দিয়া হ'ল। কেনেকুৱা লাগিব? তাৰ বাবে তুমি কিমান লাখ টকা দিবলৈ সাজু হৈ থাকিবা? নে 'কোটি' বুলি ক'লেও সন্মত হৈ যাবা? তাৰ পাছত ধৰি লোৱা তুমি এটা বিয়াগোম চাকৰি পাই গ'লা। গাড়ীয়ে-অফিছে তেলে-মবিলে চাকৰে-বডিগাৰ্ডে তমস্কাৰ এজন উচ্চখাপৰ ৰজাঘৰীয়া বিষয়া। পিছে কিবা কপাল বেয়া আছিল এদিন কথাবিলাক ৰাইজে গম পাই গ'ল। পুলিছ আহিল। অলপ সময়ৰ বাবে ধৰিও নিলে। জে'লত ভৰালে। টিভিত ওলালা। বাতৰিকাকতত ওলালা। লাজতে তুমি ছুইছাইড তুইছাইড কৰি দিবানেকি? নে ৰিজাইন দিবা? নে তেতিয়াও শকতকৈ এযোৰ ছানগ্লাছ পিন্ধি, ডেমকেয়াৰ হৈ, মূৰ পোন কৰি, অফিছলৈ আহি থাকি আগৰ দৰেই ঘোচ-ঘাচ খাই থাকিবা?

প্ৰশ্ন অসংখ্য আছে। একেদিনাই সৰহকৈ নিদিওঁ। অলপ অলপকৈ ফাদিল কৰি থাকিম। এতিয়াই নহ'লেও আগলৈ কেতিয়াবা নিশ্চয় কামত আহিব। ভাইটি-ভণ্টিহঁতৰ কপালখন ইমানেই ভাল যে মোৰ দৰে এজন নিস্বাৰ্থ, দয়াবান শুভাকাংক্ষীও পাইছে। আজিকালিৰ দিনত পৰোপকাৰনো কোনে কৰে?

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১, ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com